**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে বিগত ১১ বছৰত বিহাৰৰ সমৃদ্ধি আৰু দ্ৰুত প্ৰগতিৰে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা বিকাশৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে

২। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ওড়িশাত ১৮ হাজাৰ ৬০০ কোটিৰো অধিক মূল্যৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ মুকলি আৰু আধাৰশিলা স্থাপন কৰে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আজি ঘোষণা কৰিছে যে ৰাষ্ট্ৰীয় কৃষি সমবায় বিপণন সংস্থা চমুকৈ নাফেডে অচিৰেই কৃষকৰ দ্বাৰা উৎপাদিত সামগ্ৰী প্ৰত্যক্ষভাৱে আহৰণ কৰিব।

৪। ইজৰাইল আৰু ইৰাণৰ মাজত আজি অষ্টম দিনাও ক্ষেপণাস্ত্ৰৰ আক্ৰমণ অব্যাহত আছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ আজি হেডিংলিত আৰম্ভ হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে বিগত ১১ বছৰত বিহাৰৰ সমৃদ্ধি আৰু দ্ৰুত প্ৰগতিৰে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা বিকাশৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে। বিহাৰৰ ছিৱানৰ এখন ৰাজহুৱা জনসভাত সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে এন ডি এ চৰকাৰে বিহাৰৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে আৰু অনাগত দিনত ভালেমান পদক্ষেপ হাতত লোৱা হ'ব। শ্ৰীমোদীয়ে কয় যে এন ডি এ চৰকাৰে **সব কা সাথ, সব কা বিকাশ** মন্ত্ৰৰে কাম কৰি থকাৰ বিপৰীতে কংগ্ৰেছ আৰু আৰ জে ডিয়ে মাথো **পৰিবাৰ কা সাথ, পৰিবাৰ কা বিকাশ** মন্ত্ৰৰে ৰাজনীতি কৰিছে। তেওঁ কয় যে বিহাৰৰ বিৰোধী দলসমূহে বিহাৰৰ উন্নয়ন আৰু বিনিয়োগৰ বিপক্ষে কাম কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে বিৰোধী দলসমূহে সংবিধানৰ প্ৰণেতা বাবা চাহেব ড০ বি আৰ আম্বেদকাৰৰ প্ৰতি অলপতে অপমানসূচক মন্তব্য কৰাৰ কথাই তেওঁলোকৰ সংবিধান প্ৰণেতাগৰাকীৰ প্ৰতি আস্থা নথকাৰ কথা প্ৰতিফলিত কৰে। শ্ৰীমোদীয়ে লগতে কয় যে বিৰোধী দলে এই ক্ষেত্ৰত ক্ষমা নোখোজে, কাৰণ তেওঁলোকে কেতিয়াও দলিত, মহাদলিত, অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰে। শ্ৰীমোদীয়ে লগতে অভিযোগ কৰি কয় যে কংগ্ৰেছ আৰু আৰ জে ডিয়ে বহিৰাগত লোকক বিহাৰলৈ আমন্ত্ৰণ কৰি আনিছিল, কিন্তু নীতিশ কুমাৰৰ নেতৃত্বৰ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক চৰকাৰখনে বিহাৰৰ যুৱ প্ৰজন্মৰ সামৰ্থ্যক অধিক অগ্ৰাধিকাৰ দিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিহাৰৰ অৱনতিৰ বাবে পূৰ্বৰ চৰকাৰক সমালোচনা কৰি জনসাধাৰণক পুনৰ তেনে চৰকাৰক ক্ষমতাত অধিষ্ঠিত নকৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে যুৱ প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণ এই ক্ষেত্ৰত সতৰ্ক হোৱা উচিত। ৰাজ্যখনৰ মঢ়োৱাৰ ল'ক'মটিভ কাৰখানাত নিৰ্মাণ কৰা ৰে'লৰ ইঞ্জিন পশ্চিম আফ্ৰিকাৰ দেশ গিনিলৈ ৰপ্তানিৰ শুভাৰম্ভ কৰি শ্ৰীমোদীয়ে এয়া বিহাৰৰ জনসাধাৰণৰ বাবে গৌৰৱৰ বিষয় বুলি

অভিহিত কৰে। অলপতে সম্পন্ন কৰা বিদেশ ভ্ৰমণৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে উন্নত দেশসমূহে ভাৰতৰ দ্ৰুত বিকাশত আশ্চৰ্য প্ৰকাশ কৰিছে আৰু বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰ দেশত পৰিগণিত হোৱাৰ বাবে ভাৰতক শুভেচ্ছা জনাইছে। তেওঁ কয় যে বিগত ১১ বছৰত দেশত ২৫ কোটি জনসাধাৰণ দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে আৰু ইয়াৰে ৩ কোটি ৭৫ লাখ লোক বিহাৰৰ। শ্ৰীমোদীয়ে কয় যে আজি পতাকা জোকাৰি মুকলি কৰা পাটলীপুত্ৰ, গোৰখপুৰ বন্দে ভাৰত এক্সপ্ৰেছে উত্তৰ প্ৰদেশৰ পূৰ্বাঞ্চল, কুশী নগৰ আৰু বিহাৰৰ মাজত পৰ্যটনৰ বিকাশ সাধন কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওড়িষাৰ ভুৱনেশ্বৰৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত ৰাজ্যপাল হৰিবাবু কাম্ভমপটি আৰু মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে আদৰণি জনায়। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীগৰাকীয়ে বিমান বন্দৰৰ পৰা জনতা মৈডানলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। হাজাৰ হাজাৰ জনসাধাৰণে তেওঁক তিৰংগা পতাকা জোকাৰি আদৰণি জনায়। ৰাজ্যখনত প্ৰথমবাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰাৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত কাৰ্যসূচীত প্ৰধানমন্ত্ৰী মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকি জনসাধাৰণক সম্বোধন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচীত ১৮ হাজাৰ ৬০০ কোটিৰো অধিক মূল্যৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ মুকলি আৰু আধাৰশিলা স্থাপন কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আজি ঘোষণা কৰিছে যে ৰাষ্ট্ৰীয় কৃষি সমবায় বিপণন সংস্থা চমুকৈ নাফেডে অচিৰেই কৃষকৰ দ্বাৰা উৎপাদিত সামগ্ৰী প্ৰত্যক্ষভাৱে আহৰণ কৰিব। ইয়াৰ ফলত কৃষিজাত সামগ্ৰী আহৰণৰ ক্ষেত্ৰত মধ্যস্থতাকাৰী নোহোৱা কৰিব। মুম্বাইত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ হিচাপে আয়োজিত ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীশ্বাহে ইয়াৰ ফলত কৃষকসকল লাভান্বিত হ'ব আৰু তেওঁলোকে উচিত মূল্য লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে অচিৰেই সমবায় আৰ্হিৰে এটা বীমা কোম্পানী খুলিব। গৃহমন্ত্ৰীগৰাকীয়ে সমগ্ৰ দেশত ২ লাখ নতুন প্ৰাথমিক কৃষি ঋণ সমিতি গঠন কৰা হ'ব বুলি জানিবলৈ দিয়ে। শ্ৰীশ্বাহে পৰৱৰ্তী ১০ বছৰত বৃহৎ সমবায় প্ৰতিষ্ঠানসমূহে ৰপ্তানি, জৈৱিক খাদ্য-শস্য আৰু বীজৰ এই তিনিটা মূল ক্ষেত্ৰত কৃষকসকলৰ সমৃদ্ধিৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি অৱগত কৰে। অনুষ্ঠানত পাঁচবিধ নাফেড সামগ্ৰী মুকলি কৰা হয় আৰু কৃষিজাত সামগ্ৰী উৎপাদন কৰা পাঁচটা কোম্পানীৰ প্ৰতিনিধিক আবণ্টিত অনুদান বিতৰণ কৰা হয়।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি কৈছে যে হাজাৰ বছৰ ধৰি ভাৰতৰ মাটিত সমবায়ৰ ধাৰণা অব্যাহত আছে। তেওঁ কয় যে ভাৰতৰ ধমনীৰ মাজেৰে সকলোৰে বাবে জনকল্যাণমূলক কাম অব্যাহত আছে আৰু এই ক্ষেত্ৰত সমবায়ৰ এটা বিশেষ গুৰুত্ব আছে। মুম্বাইত আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ হিচাপে আয়োজিত ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীচৌহানে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা ভালেমান আঁচনিৰ কথা উল্লেখ কৰি ইয়াৰ ফলত কৃষিৰ আয় বৃদ্ধি, কৃষিৰ লগত জড়িত উদ্যোগসমূহৰ জৰিয়তে কৃষকৰ সমৃদ্ধি আৰু বহনক্ষম কৃষি পদ্ধতিৰ জৰিয়তে জৈৱ-বৈচিত্ৰ্যৰ সমতা ৰক্ষা আদি কৰিব পৰা গৈছে বুলি প্ৰকাশ কৰে। তেওঁ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলৰ প্ৰতি আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰৰ দেশৰ খাদ্য সুৰক্ষা, কৃষকৰ আয়

বৃদ্ধি, নাগৰিকসকলৰ বাবে পৰিপুষ্টিজনিত খাদ্য আৰু সুস্বাস্থ্য ধৰি ৰখাৰ ক্ষেত্ৰত পদক্ষেপসমূহৰ কথা উল্লেখ কৰে।

০০০০০০০০০

ইজৰাইল আৰু ইৰাণৰ মাজত আজি অষ্টম দিনাও ক্ষেপণাস্ত্ৰৰ আক্ৰমণ অব্যাহত আছে। ইৰাণৰ বৈদেশিক মন্ত্ৰী আববাছ আৰাঘচিয়ে সংঘাতজৰ্জৰ পৰিস্থিতি অব্যাহত থকাৰ মাজতে জেনেভাত জাৰ্মানী, ফ্ৰান্স আৰু ব্ৰিটেইনৰ বিদেশ মন্ত্ৰীকেইগৰাকীক সাক্ষাৎ কৰিব। সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি ইউৰোপৰ তিনিখন দেশৰ মন্ত্ৰীকেইগৰাকীয়ে ইৰাণৰ বৈদেশিক মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰাৰ পূৰ্বে ইউৰোপীয় সংঘৰ শীৰ্ষ কূটনৈতিক তথা জেনেভাত থকা ৰাষ্ট্ৰসংঘৰ জাৰ্মানীৰ স্থায়ী প্ৰতিনিধি কাজা কাল্লাছক সাক্ষাৎ কৰিব। আজি পুৱাৰ ভাগত ইৰাণৰ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত দক্ষিণ ইজৰাইলৰ বীৰছেবাত কমেও পাঁচগৰাকী লোক আহত হয়। ইফালে, ইজৰাইলৰ বিমান বাহিনীয়ে মধ্য আৰু পশ্চিম ইৰাণত কেইবাটাও সামৰিক আন্তঃগাঁথনিত আক্ৰমণ চলায়। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে ঘোষণা কৰিছে যে দেশখনৰ যুঁজাৰু বিমানসমূহে ইৰাণৰ টাইবেৰিয়াছ আৰু কেৰ্মানছা অঞ্চলত ক্ষেপণাস্ত্ৰৰ ভঁৰাল ধ্বংস কৰিছে বুলি অৱগত কৰিছে। আনহাতে, ইৰাণৰ ৰাজধানী তেহৰাণত কেইবা হাজাৰ লোকে ইজৰাইলৰ আক্ৰমণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। ইতিমধ্যে অষ্ট্ৰেলিয়া, শ্লোভাকিয়া আৰু চেক গণৰাজ্যই তেহৰাণৰ পৰা তেওঁলোকৰ দূতাবাস খালী কৰিছে।

০০০০০০০০০

ভাৰতীয় নৌসেনাৰ জাহাজ, আই এন এছ টেগ মৰিচাছৰ ৰাষ্ট্ৰীয় উপকূল ৰক্ষী বাহিনী (এন চি জি)ৰ জাহাজ আৰু বিমানৰ সৈতে মৰিচাছৰ একচেটিয়া অৰ্থনৈতিক অঞ্চল যৌথ নিৰীক্ষণ কৰিবলৈ মৰিচাছৰ প'ৰ্ট লুইছত উপস্থিত হৈছে। ২২ জুনলৈকে দক্ষিণ-পশ্চিম ভাৰত মহাসাগৰীয় অঞ্চলত জাহাজখনে অভিযান চলাব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এক বিবৃতিত কয় যে জাহাজখনত কাইলৈ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ উপলক্ষত যৌথ যোগ শিবিৰ অনুষ্ঠিত হ'ব।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ প্ৰাক ক্ষণত নেপালৰ ভৰতীয় দুতাবাসে আজি পোখাৰাৰ ফেৱা লেকছাইডত যোগ শিবিৰৰ আয়োজন কৰে। ফেৱা হ্ৰদ নেপালৰ জনপ্ৰিয় পৰ্যটন স্থলী আৰু হ্ৰদৰ মাজত অৱস্থিত তালভৈৰৱী মন্দিৰলৈ নাওঁ চলোৱাৰ সুবিধা আছে। বৰফেৰে আবৃত পাহাৰ, জলপ্ৰপাত, নৈ আদিৰে আগুৰি থকা পোখাৰা নেপালৰ পৰ্যটন ৰাজধানী। এই যোগ শিবিৰত শ শ যোগ অনুৰাগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০০

ছৌদি আৰৱত থকা ভাৰতীয় দূতাবাসে ছৌদি যোগ সমিতি আৰু প্ৰবাসী ভাৰতীয়সকলৰ সহযোগত কাইলৈ ১১ সংখ্যক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰিব। ৰিয়াদৰ প্ৰিন্স ফৈছাল বিন ফাহদ স্প'ৰ্টছ চিটি ষ্টেডিয়ামত হ'বলগীয়া এই অনুষ্ঠানত International Indian পাব্লিক স্কুল আৰু আল আলিয়া ইণ্টাৰনেশ্যনেল ইণ্ডিয়ান স্কুলৰ ছাত্ৰ-

ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব। জেদ্দাত অনুষ্ঠানৰ এদিন পূৰ্বে International Indian School ৰ ছাত্ৰ-ছাত্ৰীসকলে যোগাসন প্ৰদৰ্শন কৰে।

ইফালে কাটাৰত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় ক্ৰীড়া কেন্দ্ৰৰ সহযোগত কাইলৈ দোহাৰ Ideal ইণ্ডিয়ান স্কুলত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস ২০২৫ পালন কৰিব। এই অনুষ্ঠানত শিশুসকলৰ দ ছন্দময় যোগাসন প্ৰদৰ্শন, যোগাসন কুইজ, ধ্যান আদি অনুষ্ঠিত হ'ব।

০০০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ আজি হেডিংলিত আৰম্ভ হৈছে। ইংলেণ্ডৰ অধিনায়ক বেন ষ্টোকে আজি টছত জিকি ভাৰতৰ অধিনায়ক শুভমন গীলক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতৰ হৈ অপেনাৰদ্বয় কে এল ৰাহুল আৰু য়শস্বী জয়ছোৱালে দলৰ হৈ দৃঢ় আৰম্ভণি কৰে আৰু প্ৰথম উইকেটৰ যুটীত ৯১ ৰাণ যোগ দিয়ে। কে এল ৰাহুল ৪২ ৰাণ কৰি কাৰ্ছৰ বলত জো ৰুটৰ হাতত কেটচ দি আউট হয়। আজি টেষ্ট অভিষেক ঘটা সাই সুদৰ্শনে মাত্ৰ ৪ টা বল খেলি কোনো ৰান নকৰাকৈ ষ্টোকৰ সহায়ত স্মীথৰ হাতত কেটছ্ দি আউট হয়। ভোজন বিৰতিৰ পৰলৈকে ভাৰতে প্ৰথম ইনিংছত ২ উইকেটৰ  বিনিময়ত ৯২ ৰান সংগ্ৰহ কৰে।

ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে দুটা উইকেটৰ বিনিময়ত ১৪৫ ৰান সংগ্ৰহ কৰিছে।

০০০০০০০০০

সমাপ্ত